**Series #CDBA/S**

**SET-4**

**Q.P. Code 15/S**

Roll No. | | | | | | | | |

Candidates must write the Q.P. Code on the title page of the answer-book.

- Please check that this question paper contains **15** printed pages.
- Please check that this question paper contains **20** questions.
- Q.P. Code given on the right hand side of the question paper should be written on the title page of the answer-book by the candidate.
- **Please write down the serial number of the question in the answer-book before attempting it.**
- 15 minute time has been allotted to read this question paper. The question paper will be distributed at 10.15 a.m. From 10.15 a.m. to 10.30 a.m., the students will read the question paper only and will not write any answer on the answer-book during this period.

# অসমীয়া
# ASSAMESE

*সময় : 3 ঘন্টা* | *সৰ্বমুঠ নম্বৰ : 80*

*Time allowed : 3 hours* | *Maximum Marks : 80*

***General Instructions :***

*Question paper is divided into **4** sections.*

*It has total **20** questions.*

***Section A** : 1 Question no. 1 to 1*

***Section B** : 5 Questions no. 2 to 6*

***Section C** : 8 Questions no. 7 to 14*

***Section D** : 6 Questions no. 15 to 20*

*Attempt questions as per specific instructions.*

*Write question no. in answer book before attempting it.*

*সাধাৰণ নিৰ্দেশনা :*

*প্ৰশ্নকাকতৰ প্ৰশ্নসমূহ চাৰি (৪) ভাগত বিভক্ত ।*

*সৰ্ব্বমুঠ প্ৰশ্নৰ সংখ্যা : **২০***

***শাখা 'ক'** : প্ৰশ্নৰ সংখ্যা ১, প্ৰশ্ন নং ১-১*

***শাখা 'খ'** : প্ৰশ্নৰ সংখ্যা ৫, প্ৰশ্ন নং ২-৬*

***শাখা 'গ'** : প্ৰশ্নৰ সংখ্যা ৮, প্ৰশ্ন নং ৭-১৪*

***শাখা 'ঘ'** : প্ৰশ্নৰ সংখ্যা ৬, প্ৰশ্ন নং ১৫-২০*

*নিৰ্দ্ধাৰিত নিৰ্দেশ অনুসৰি প্ৰশ্নসমূহৰ উত্তৰ কৰিব ।*

*উত্তৰ বহীত প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ পুৰ্বে প্ৰশ্ন নং লিখাটো আৱশ্যক ।*

## SECTION A

**(বোধ পৰীক্ষণ)** **(15 Marks)**

**1.** তলৰ অনুচ্ছেদটো পঢ়ি নিম্নলিখিত প্ৰশ্নসমূহৰ উত্তৰ লিখাঁ –

মানুহ স্বভাৱতে সমাজপ্ৰিয় । প্ৰথমতে জীৱন ৰক্ষাৰ বাবেই সমাজৰ সৃষ্টি হৈছিল । মাক-দেউতাক, আত্মীয়-স্বজন আদিৰ সহায় নহ'লে শিশু এটা জীয়াই থাকিব নোৱাৰে । তাৰ পিছত সমাজত থাকিয়েই মাত-কথা শিকে । তেওঁৰ চৰিত্ৰ গঠিত হয় সমাজত । সেইবাবে সামাজিক পৰিবেশৰ ওপৰত শিশুৰ চৰিত্ৰ ভালেখিনি নিৰ্ভৰ কৰে । মনৰ ভাব প্ৰকাশ কৰাটোও মানুহৰ এটা প্ৰবৃত্তি । এই প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈও সমাজৰ প্ৰয়োজন । ব্যক্তিগত আৰু পাৰিবাৰিক সুবিধাৰ বাবে মানুহে অতি প্ৰাচীন কালৰে পৰা সমাজ পাতি বাস কৰি আহিছে । মানুহৰ উন্নতিৰ লগে লগে সমাজৰো উন্নতি হয় ।

দুখৰ নিবৃত্তি বা লাঘৱ ঘটাই সুখ বৃদ্ধি কৰা কাৰ্য্যৰ নাম সেৱা । গতিকে সমাজৰ দুখ বা অসুবিধাবোৰ আঁতৰাই তাৰ ঠাইত সুখ বা সুবিধা স্থাপন কৰিবৰ বাবে কৰা কামেই হ'ল সমাজসেৱা । আমাৰ কথাতেই কয় বোলে 'খেৰডালেৰে বান্ধিলেহে কুটাডালেৰে বান্ধে ।' অৰ্থাৎ আমি যদি কাৰোবাক কিবা সহায় কৰোঁ,

তেহে তেৰোঁ আমাক কিবা প্ৰকাৰে সহায় কৰে । আনৰ উপকাৰৰ বাবে কৰা কামে নিজৰো উপকাৰ কৰে । এইদৰে কৃতজ্ঞতা প্ৰকাশ আৰু সামূহিক উন্নতিৰ বাবে মানুহে সমাজসেৱা কৰে ।

মাক-পিতাক আদিয়ে শিশুক ভাত-কাপোৰ দিয়ে, সমাজে তেওঁলোকৰ চৰিত্ৰ গঠন, শিক্ষাদান আদিৰ বাবে চেষ্টা কৰে । এইদৰে মাক-পিতাকে আৰু সমাজে সকলো ৰকমৰ সুবিধা দি শিশুক ডাঙৰ-দীঘল কৰে আৰু তেওঁলোকৰ পৰাও বহুত আশা কৰে । মাক-পিতাকে আশা কৰে ডাঙৰ-দীঘল হৈ তেওঁলোকৰ সন্তানে তেওঁলোকক বুঢ়াকালত চোৱা-চিতা কৰিব আৰু বংশৰ নাম উজ্জ্বল কৰিব । সমাজে আশা কৰে সমাজৰ প্ৰত্যেকজন শিশুৱে ডাঙৰ হৈ সকলো মানুহকে সাৱটি লৈ পৃথিৱীখনকে এটা পৰিয়ালৰ দৰে বিশ্বত সুখ-শান্তিৰ অমৃত সিঞ্চন কৰিব । এই আশা পূৰণ কৰাটো প্ৰত্যেকজন লোকৰে কৰ্তব্য । সমাজসেৱাৰ বাবে কোনো নিৰ্দিষ্ট সময় নাই । ছাত্ৰ অৱস্থাৰ পৰা সমাজসেৱা কৰিব পাৰে ।

সমাজৰ উন্নতি সাধন কৰাৰ বাবে সম্ভৱপৰ সকলো দিশতে সমাজসেৱা কৰিব লাগে । শিক্ষা জীৱনৰ বন্তি । আমাৰ দেশৰ বহুতো লোকে এতিয়াও শিক্ষাৰ পোহৰ পোৱা নাই । তাৰ ফলত তেওঁলোকৰ জীৱন দুঃখময় হৈ আছে । ছাত্ৰ-ছাত্ৰীসকলে সমাজত শিক্ষা বিস্তাৰ কৰাৰ চেষ্টা কৰিব লাগে । তেওঁলোকে দীঘলীয়া সময় বা আজৰি সময়ত এই কাৰ্য কৰিব পাৰে । এতিয়া চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে অভিযান চলাইছে । এই অৰ্থে গাঁৱে-ভূঞে নৈশ বিদ্যালয় আদি স্থাপন কৰিছে । এই অভিযানত ছাত্ৰ-ছাত্ৰীসকলে সক্ৰিয় অংশগ্ৰহণ কৰা উচিত ।

পুথিভঁৰাল শিক্ষা প্ৰচাৰৰ এটা প্ৰধান আহিলা । ছাত্ৰ-ছাত্ৰীসকলে নিজৰ নিজৰ অঞ্চলৰ পুথিভঁৰাল স্থাপন কৰি সেইবিলাকত জনসাধাৰণৰ সুবিধাৰ কাৰণে আৱশ্যকীয় কিতাপ, বাতৰিকাকত আদি ৰাখিব লাগে আৰু যাতে মানুহে নি পঢ়ে তাৰবাবে উদগনি দিব লাগে । মাজে সময়ে সভা-সমিতি পাতি তাত

দেশ-বিদেশৰ বা-বাতৰি, ৰাজনীতি, সমাজনীতি আদিৰ কথা আলোচনা কৰিব লাগে। এই কাৰ্যই মানুহৰ মনৰ কুসংস্কাৰ দূৰ কৰি মন বহল আৰু উদাৰ কৰে।

গাঁও-ভূঁইৰ অপৰিষ্কাৰ নাদ-পুখুৰী আদি পৰিষ্কাৰ কৰা, বেমাৰ-আজাৰ বিয়পিব নোৱাৰাৰ বাবে চেষ্টা কৰা আদি কামত ছাত্ৰ-ছাত্ৰীসকলে আত্মনিয়োগ কৰি জনসাধাৰণৰ স্বাস্থ্যৰ উন্নতিৰ বাবে যত্ন লোৱা উচিত। আমাৰ দেশত বহুত ঠাইত এতিয়াও বাট-পথৰ সুবিধা হোৱা নাই। তেনে ঠাইত বাট-পথ নিৰ্মাণ কৰাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল আগবাঢ়ি যাব লাগে। নিজৰ অঞ্চলৰ কোনো লোকৰ বেমাৰ-আজাৰ বা আন কিবা বিপদ-আপদ হ'লে সহায় কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলে সাধ্যানুসৰি যত্ন কৰা উচিত। বৰ্তমান যুগটো সমবায়ৰ যুগ। সমবায়ে সমাজত ঐক্য আৰু শান্তি বৃদ্ধি কৰে। গতিকে ছাত্ৰ-ছাত্ৰীসকল মিলিত হৈ নিজৰ নিজৰ অঞ্চলত ফুল, ফল-মূল, শাক-পাচলি আদিৰ বাগিচা কৰি ৰাইজক আৰ্হি দেখুৱাব লাগে।

ছাত্ৰ-ছাত্ৰীৰ মনত সমাজ সেৱাৰ ভাৱ উদ্ৰেক কৰিবলৈ আমাৰ চৰকাৰেও ব্যৱস্থা হাতত লৈছে। এই উদ্দেশ্যে ছাত্ৰ-ছাত্ৰীসকলে মাজে সময়ে সমাজৰ কল্যাণমূলক কাম কৰাৰ নিয়ম প্ৰৱৰ্তন কৰিছে। স্কুল, কলেজ আৰু বিশ্ববিদ্যালয় সকলোতে এই নিয়ম প্ৰৱৰ্তন কৰাৰ ফলত উপকাৰ হোৱা দেখা গৈছে। ক'ত কি কাম কৰাৰ প্ৰয়োজন ছাত্ৰ-ছাত্ৰীসকলে আগতে চাই-চিতি লয় আৰু পিছত পৰিকল্পিত ভাবে সেই কাম সমাধা কৰে। কাম কৰাৰ আগতে সেই ঠাইৰ ৰাইজক সেই কথা কোৱা হয়। ৰাইজেও তাত সক্ৰিয় অংশগ্ৰহণ কৰে।

ভাল মানুহে উপকাৰীৰ উপকাৰ নাপাহৰে। ছাত্ৰ-ছাত্ৰীয়ে সমাজৰ কল্যাণমূলক কাম কৰাৰ পৰা সমাজৰ অনেক উপকাৰ হয়। সমাজসেৱা এটা পৱিত্ৰ কাম। এই কাম সম্পাদন কৰাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মনত সমাজসেৱাৰ মনোভাৱ গঢ়ি উঠে আৰু সুবিধা পালেই আনক সেৱা কৰাৰ প্ৰবৃত্তি তেওঁলোকে লাভ কৰে। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীৰ মন বহল হয়, তেওঁলোকৰ মাজত একতাৰ সৃষ্টি হয়। ছাত্ৰ-ছাত্ৰীসকলে পাৰিশ্ৰমিক নলয় তাৰ ফলত কম খৰচতে কিছুমান

কাম কৰা সম্ভৱপৰ হয় । বেমাৰ-আজাৰ, প্ৰাকৃতিক দুৰ্যোগ আদিৰ সময়ত ৰাইজৰ দুখ-দুৰ্গতি দূৰ কৰা কাৰ্যত ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰাৰ ফলত উক্ত কামবিলাক কম সময়তে কৰাটো সম্ভৱ হয় । এইদৰে সমাজ সেৱাৰ দ্বাৰা সমাজ আৰু ছাত্ৰ-ছাত্ৰী উভয়ে নানাভাৱে উপকৃত হয় ।

মানবসেৱা সম্পৰ্কে আমাৰ প্ৰথিতযশা কবি চন্দ্ৰকুমাৰ আগৰৱালাদেৱে লিখি গৈছেঃ ‘মানুহেই দেৱ, মানুহেই সেৱ, মানুহ বিনে নাই কেৱে, কৰা কৰা পূজা পাদ্য অৰ্থ লই, জয় জয় মানৱ দেৱ । দেৱতাক আমি নেদেখোঁ, মানুহক হ'লে দেখোঁ আৰু তেওঁলোকৰ বাবে আৱশ্যক হোৱা সহায় আদিৰ কথা উপলব্ধি কৰিব পাৰোঁ । আমাৰ অন্তৰত সেৱাৰ ভাৱ থাকিলে আমি বিনা দ্বিধাই তেওঁলোকৰ দুখ-দুৰ্গতি আদি দূৰ কৰি তেওঁলোকৰ উপকাৰ সাধন কৰিব পাৰোঁ । সৰল অৰ্থত সমাজসেৱাই দেশসেৱা ।

**প্ৰশ্ন :**

(i) শিশুৱে ক'ত থাকি মাত-কথা শিকে বুলি অনুচ্ছেদটোত উল্লেখ কৰিছে ? *1*

(A) ঘৰত

(B) বিদ্যালয়ত

(C) সমাজত

(D) বজাৰত

(ii) আনৰ উপকাৰৰ বাবে কৰা কামে কাৰ উপকাৰ কৰে ? *1*

(A) ৰজাৰ

(B) নিজৰো

(C) ভগৱানৰ

(D) ওচৰ-চুবুৰীয়াৰ

(iii) চৰকাৰে গাৱেঁ-ভূঞে কিয় নৈশ বিদ্যালয় পাতিছে ? *1*

(A) নিৰক্ষৰতা দূৰীকৰণৰ বাবে

(B) ঠাইৰ অসুবিধাৰ বাবে

(C) ছাত্ৰ-ছাত্ৰীৰ চাকৰিৰ বাবে

(D) সমাজ সংস্কাৰৰ বাবে

(iv) বাতৰি-কাকত পঢ়িলে কি দূৰ কৰিব পাৰি ? *1*

(A) জ্ঞানৰ পৰিসৰ

(B) বন্ধু-বান্ধৱৰ সংখ্যা

(C) ব্যৱসায়ৰ সমস্যা

(D) মনৰ কুসংস্কাৰ

(v) মনৰ ভাৱ প্ৰকাশ কৰাটো মানুহৰ এটা ________ । *1*

(A) ব্যৱসায়

(B) প্ৰবৃত্তি

(C) চিন্তা

(D) ধাৰণা

(vi) ছাত্ৰ-ছাত্ৰীসকলে কেতিয়া সমাজসেৱা কৰিব পাৰে ? *1*

(A) বিদ্যালয়ত থকা সময়ত

(B) অধ্যয়ন কৰি থকা সময়ত

(C) আজৰি সময়ত

(D) ঘৰত থকা সময়ত

(vii) বিপৰীতাৰ্থক শব্দ লিখা — বৃদ্ধি *1*

(A) উদগতি

(B) পৰিসৰ

(C) হ্ৰাস

(D) অৱনতি

(viii) সন্ধি ভাঙা — উন্নতি *1*

(A) উন+নতি

(B) উৎ+নতি

(C) উন্+নতি

(D) উ+ন্নতি

(ix) উপসৰ্গ বাছি উলিয়াই লিখা — উপকাৰ *1*

(A) উৎ

(B) উপা

(C) উপ

(D) উপক

(x) সমাজসেৱা বুলিলে কি বুজা ? *2*

(xi) সমাজসেৱা কৰা বাবে ছাত্ৰ-ছাত্ৰীসকলৰ কি লাভ হয় ? *2*

(xii) পুথিভঁৰালক শিক্ষা প্ৰচাৰৰ প্ৰধান আহিলা বুলি কিয় কৈছে ? *2*

## SECTION B

**(লিখন কলা)** **(25 Marks)**

**2.** (a) তলত দিয়া সংকেত বাক্যৰ সহায়ত গল্পটো সম্পূৰ্ণকৈ লিখাঁ। (গল্পটোৰ শিৰোনাম আৰু নীতিশিক্ষা লিখিব লাগিব।) *5*

হাবিৰ মাজত এটা মৰা হৰিণা ________ হৰিণাটোৰ মাংসৰ বাবে দুটা বাঘৰ মাজত যুঁজ ________ দূৰৰ পৰা শিয়াল এটাই চাই আছিল ________ যুঁজি যুঁজি বাঘ দুটা ভাগৰি পৰিল ________ শিয়ালটোৱে হৰিণাটো টানি লৈ গ'ল আৰু মহা আৰামেৰে খালে ________ ।

**নাইবা (OR)**

(b) তলত দিয়া যিকোনো এখন ৰচনা লিখাঁ — *5*

(i) নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য

(ii) ছাত্ৰ আৰু ৰাজনীতি

**3.** তোমাৰ বিদ্যালয়ত অনুষ্ঠিত হৈ যোৱা 'ক্ৰীড়া দিৱস'ৰ বিষয়ে জনাই বাতৰি কাকতত প্ৰকাশৰ বাবে এখন প্ৰতিবেদন যুগুত কৰাঁ। (বিদ্যালয়ৰ নাম সাংকেতিক আখৰত লিখিবাঁ।) *5*

**4.** তলত দিয়া যিকোনো এটা ফকৰা-যোজনা বুজাই লিখাঁ — *5*

(i) কুমলীয়া আদা পাই ভৰিৰে মোহাৰি খোৱা।

(ii) কুকুৰৰ নেজ দীঘল হয়, নিজে পাৰি বাহিব।

**5.** (a) তোমাৰ অঞ্চলত সন্মুখীন হোৱা বাট-পথৰ সমস্যা আৰু ইয়াৰ পুনৰ নিৰ্মাণৰ বাবে অনুৰোধ জনাই চৰকাৰী বিভাগলৈ এখন আবেদন পত্ৰ যুগুত কৰাঁ। (তোমাৰ নাম আৰু ঠিকনা সাংকেতিক আখৰত লিখিবা।) *5*

**নাইবা (OR)**

(b) তুমি পঢ়ি ভালপোৱা কিতাপ এখনৰ বিষয়ে জনাই তোমাৰ বন্ধু/বান্ধৱীলৈ এখন চিঠি লিখা। (চিঠিত নাম, ঠিকনা সাংকেতিক আখৰত লিখিবা।) *5*

**6.** তলত দিয়া খণ্ডবাক্যকেইটাৰে বাক্য ৰচনা কৰাঁ — (যিকোনো ৫টা) *5×1=5*

(i) গা আছে

(ii) ঘৰ গিৰী

(iii) চকু মেলি চা

(iv) মুখত দে

(v) চকুৰ মণি

(vi) দাঁত লগা

## SECTION C

**(ব্যাকৰণ)** **(20 Marks)**

**7.** তলৰ শব্দকেইটাৰ শুদ্ধ সন্ধি বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) বনস্পতি =

(A) বন+পতি

(B) বনঃ+পতি

(C) বন+স্পতি

(D) বনঃ+স্পতি

(ii) সৰোবৰ =

(A) সৰঃ+বৰ

(B) সৰো+বৰ

(C) সৰ+ওবৰ

(D) সৰ+বৰ

(iii) দুয়ো =

(A) দ+য়ো

(B) দুই+য়ো

(C) দ+ইও

(D) দুই+ও

(iv) নদীয়াল =

(A) নদী+য়াল

(B) নদী+আল

(C) নদ+আল

(D) নদীআ+আল

**8.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *2×1=2*

(i) ''সন্তোষ'' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) সন

(B) সম

(C) সও

(D) সন্ত

(ii) ''উদ্ভিদ'' শব্দটোত কি উপসৰ্গ যোগ হৈছে ?

(A) উদ

(B) উৎ

(C) উদি

(D) উদ্ভ

**9.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *2×1=2*

(i) যিবোৰ বৰ্ণসমষ্টি ক্ৰিয়া বা আন পদৰ পিছত বহি সিহঁতৰ অৰ্থ বিশেষভাৱে দেখুৱাই সেইবোৰক ________-বোলে ।

(A) উপসৰ্গ

(B) প্ৰত্যয়

(C) সন্ধি

(D) অনুসৰ্গ

(ii) তলত আঁচটনা শব্দটোত কি অনুসৰ্গ যোগ হৈছে ?

<u>হৰিয়েই</u> কিতাপ পঢ়িছে ।

(A) য়েই

(B) ই

(C) এই

(D) ইয়েই

**10.** শুদ্ধ সমাৰ্থক শব্দ লিখাঁ — *2×1=2*

(i) দিন =

(A) দিননাথ

(B) দিৱস

(C) অম্বৰ

(D) অনল

(ii) হাতী =

(A) অম্বুদ

(B) পৱন

(C) ঐৰাৱত

(D) মহী

**11.** বিপৰীতাৰ্থক শব্দ বাছি উলিয়াই লিখাঁ — *2×1=2*

(i) আকৰ্ষণ =

(A) বিসৰ্জন

(B) বিকৰ্ষণ

(C) তিৰস্কাৰ

(D) অনিচ্ছা

(ii) সম্পদ =

(A) বিষাদ

(B) জংগম

(C) খৰচ

(D) বিপদ

**12.** শুদ্ধ উত্তৰটো বাছি উলিয়াই লিখাঁ — *4×1=4*

(i) জয়মতী এগৰাকী সাহসী মহিলা আছিল।

(A) সৰল বাক্য

(B) ভাববোধক বাক্য

(C) যৌগিক বাক্য

(D) জটিল বাক্য

(ii) তেওঁ দোষ কৰা কাৰণে শাস্তি পালে।

(A) মিশ্ৰ বাক্য

(B) সৰল বাক্য

(C) ইচ্ছাত্মক বাক্য

(D) যৌগিক বাক্য

(iii) যিজন ভাল মানুহ, সেইজনক ঈশ্বৰে সহায় কৰে।

(A) প্ৰশ্নবোধক বাক্য

(B) যৌগিক বাক্য

(C) জটিল বাক্য

(D) সৰল বাক্য

(iv) বুঢ়া মানুহজনৰ দৃষ্টিশক্তি হ্ৰাস পোৱা নাই।

(A) জটিল বাক্য

(B) যৌগিক বাক্য

(C) সৰল বাক্য

(D) অনুজ্ঞাসূচক বাক্য

**13.** উত্তৰ লিখাঁ — *2×1=2*

(i) পঢ় আৰু লিখ্ ধাতুক ক্ৰিয়া ৰূপলৈ পৰিবৰ্তন কৰা।

(ii) ক্ৰিয়াৰ মূলক কি বোলে ?

**14.** উত্তৰ লিখাঁ — *2×1=2*

(i) ভৱিষ্যৎ কাল কাক বোলে ?

(ii) বৰ্তমান কালৰ এটা উদাহৰণ বাক্য লিখাঁ।

## SECTION D

**(গদ্য ভাগ)** **(20 Marks)**

**15.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) ইন্‌ফচিচ কোম্পানীৰ প্ৰতিষ্ঠাপক কোন ? তেওঁ ভাৰতবৰ্ষ তথা বিশ্বৰ এজন সফল উদ্যোগী হোৱাৰ আঁৰৰ কাহিনীটো বৰ্ণনা কৰাঁ।

(ii) ''লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিল ।'' — কিহৰ লগে লগে সংস্কৃতিৰ ৰূপান্তৰ ঘটিছিল বুজাই লিখাঁ ।

(iii) শিক্ষক-শিক্ষয়িত্রীসকলে অৰণ্য দৰ্শনৰ কাৰ্যসূচী কিয় বাতিল কৰিব খুজিছিল ? ইয়াৰ পিছৰ পৰিস্থিতি কি হ'ল বুজাই লিখাঁ ।

**16.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখাঁ — *2*

(i) সফল উদ্যোগী হ'বলৈ কিয় কঠিন ?

(ii) অৰণ্যযাত্ৰাৰ বাবে পাহিয়ে কি কি বস্তু বেগত ভৰাই লৈছিল ?

(iii) বৌদ্ধ ধৰ্ম কোনে প্ৰচাৰ কৰিছিল ? এই ধৰ্মৰ মূলমন্ত্ৰ কি ?

**17.** উত্তৰ লিখাঁ — *4×1=4*

(i) ডাকৰ জন্ম ক'ত হৈছিল ?

(ii) পলহঁতৰ নাওখনত কিয় পানী সোমাইছিল ?

(iii) শ্ৰেণী-শিক্ষক গৰাকীয়ে আলোচনা কৰিবলৈ লোৱা নতুন বিষয়টো কি আছিল ?

(iv) আহোমসকলে অসমত দীৰ্ঘদিন থকাৰ পিছত কি ধৰ্ম গ্ৰহণ কৰিছিল ?

## (পদ্য ভাগ)

**18.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ উত্তৰ লিখাঁ — *4*

(i) তোমাৰ পাঠ্যপুথিত থকা 'জিকিৰ' পাঠটিৰ মূলভাৱ লিখাঁ ।

(ii) ব্যাখ্যা কৰাঁ —

তোমাৰ চৰণ দুই মোৰ মহা ধন
ভকত জনেৰ নিজ তুমিসে জীৱন ।।

(iii) মোহন কীচক বেণু অনাহত ছন্দে
গায় মহামহিমৰ গান,
মোহ তন্দ্ৰালস তেজি উঠা ভক্তবৃন্দ !
সুন্দৰৰ কৰা ৰূপ ধ্যান । — ব্যাখ্যা কৰাঁ ।

**19.** তলত দিয়া যিকোনো এটা প্ৰশ্নৰ চমু উত্তৰ লিখাঁ — *2*

(i) বৰগীত কাক বোলে ? বৰ্তমান শংকৰদেৱৰ বিৰচিত বৰগীতৰ সংখ্যা কিমান ?

(ii) 'প্ৰশস্তি' কবিতাত কবিয়ে কিয় আৰু কাৰ প্ৰশস্তি কৰিছে ?

(iii) কোনজন ৰজাই আজান ফকিৰক ক'ত মাটি-বাৰী দি মছজিদ সজাই দিছিল ?

**20.** উত্তৰ লিখাঁ — *4×1=4*

(i) অসমীয়া গীতি-সাহিত্যৰ ইতিহাসত কোনবোৰ গীতক নজহা-নপমা এক সম্পদ বুলি কৈছে ?

(ii) ব্ৰজাৱলী ভাষাৰ মূল ভেটি কি ভাষা ?

(iii) ৰঘুনাথ চৌধাৰীক কিয় 'বিহগী কবি' নামেৰে জনা যায় ?

(iv) ব্ৰজাৱলী ভাষাটো কিয় শ্ৰুতিমধুৰ ?